BU/EX/PG/SEM-2/2.05

**2017**

**ASSAMESE**

**Paper : 2.05 A (New & Old)**

# ASSAMESE FOLK LITERATURE

Full Marks: 80

Time: 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ লিখা ঃ                                                                 ১ x ১০ = ১০

(ক) লোক-সংস্কৃতিবিদ ড° প্ৰবীণ চন্দ্ৰ দাসে লোক-সাহিত্যক কেইটা ভাগত বিভক্ত কৰিছে ?

(খ) লোক-সাহিত্যৰ এটি বৈশিষ্ট্য উল্লেখ কৰা ।

(গ) 'বৰগীত'ক লোকসাহিত্যৰ শাৰীত পেলাব পাৰিনে ?

(ঘ) মন্ত্ৰ সাহিত্যৰ দুটা ভাগত উল্লেখ কৰা।

(ঙ) 'কুঁহিয়াৰত পেৰা গীত' কোন শ্ৰেণীৰ লোকগীত?

(চ) 'মণিৰাম দেৱানৰ গীত' কোন শ্ৰেণীৰ মালিতা?

(ছ) 'পুতলানাচ' শব্দটোৰ বুৎপত্তি দেখুওৱা?

(জ) বড়োলোক সাহিত্যৰ 'গাম্বাৰী-ছিখ্লাৰ গীত' কোন শ্ৰেণীৰ মালিতা?

(ঝ) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত সাধুকথাৰ পুথি এখনৰ নাম লিখা।

(ঞ) কাৰবি ভাষাত লিখা ৰামায়ণখনৰ নাম কি?

২. চমুকৈ উত্তৰ লিখা ঃ ২ x ৫ = ১০

(ক) গোৱালপৰীয়া লোকগীতক বিষয়বস্তু অনুসৰি কেইটা ভাগত ভাগ কৰিব পাৰি আৰু সেই ভাগ কেইটা কি কি?

(খ) যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্ৰ ৰাজিক কেইটা ভাগত ভাগ কৰিব পাৰি আৰু সেই ভাগ কেইটা কি কি?

(গ) দুটি কিম্বদন্তিমূলক অসমীয়া মালিতাৰ নাম লিখা?

(ঘ) দুবিধ গোৱালপৰীয়া অৰ্দ্ধ-নাটকীয় লোকনাট্যানুষ্ঠানৰ নাম লিখা।

(ঙ) কাৰ্বি লোকসমাজত প্ৰচলিত দুটি অনুষ্ঠানমূলক লোকগীতৰ নাম উল্লেখ কৰা।

৩. চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ x ২ = ১০

(ক) লোকসাহিত্যত যাদুৰ স্থান

(খ) জনজাতীয় জন্তুকেন্দ্ৰিক সাধুকথা

(গ) ওজাপালি অনুষ্ঠান

(ঘ) মৈযালগীত

৪. কাহিনীগীত বা মালিতা বুলিলে কি বুজা? অসমীয়া কাহিনীগীতৰ শ্ৰেণীবিভাজন উল্লেখ কৰি যথাযথ উদাৰণসহ এটি নিবন্ধ যুগুত কৰা।

২ + ১+ ৪ = ৭

নাইবা

"মন্ত্ৰৰ পৰিসৰ অতিকৈ ব্যাপক। মন্ত্ৰসমূহ সংস্কৃত অসমীয়া জনজাতীয় সকলো ভাষাতে পোৱা যায়" -অসমীয়া মন্ত্ৰৰ শ্ৰেণীবিভাজন উল্লেখ কৰি যথাযথ উদাহৰণ দাঙি ধৰা।

২ +৫ = ৭

৫. বিহুগীতত লোকমন আৰু লোকসমাজখন কেনেদৰে প্ৰতিফলিত হৈছে উদাহৰণসহ এটি নিবন্ধ যুগুত কৰা। ৭



P.T.O.

নাইবা

অসমৰ অৰ্দ্ধনাটকীয় লোকনাট্যানুষ্ঠান সমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ২ + ১+ ৪=৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।

৬. অনুষ্ঠান মূলক অসমীয়া লোকগীত হিচাপে বিয়াগীত আইনাম আৰু লখিমী-সবাহৰ গীতৰ এটি পৰিচয়মূলক টোকা লিখা। ১২

৭. অবৈদিক মন্ত্ৰ পৰম্পৰা বুলিলে কি বুজা? অসমীয়া লোকসাহিত্যৰ আধাৰত উল্লিখিত বিষয়টিৰ এটি আলোচনা আগবঢ়োৱা।

১২

৮. "অসমৰ লোকসাহিত্যত সাধুকথাই বিস্তৰ ঠাই অধিকাৰ কৰি আছে।" সাধুকথাৰ শ্ৰেণীবিভাজন উল্লেখ কৰি সাধুকথা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

১২

৯. 'বড়োলোকসাহিত্য নাইবা কাৰ্বি লোকসাহিত্য'-শীৰ্ষক এটি চিন্তাকৰ্ষক আলোচনা দাঙি ধৰা।

১২

১০. আধুনিক অসমীয়া কবিতাত লোকসাহিত্যিক সমলৰ প্ৰয়োগ আৰু পৰীক্ষা-নিৰীক্ষা কিদৰে কৰা হৈছে, যথাযথ উদাহৰণসহ এটি আলোচনা প্ৰস্তুত কৰা। ১২

——— x ———